# সাহিত্যৰ আভাস

অনিমা নেওগ।

**SAHITYAR ABHAS :** *A Critical essays written by Anima Neog. M. A. Lecturer of Majuli College, Kamalabari and Published by Anima Neog. Kamalabari, Majuli. Published in November, 1994, Prise. Rs. Fifteen only.*

প্ৰকাশক ঃ
অনিমা নেওগ।

প্ৰথম প্ৰকাশ ঃ
নবেম্বৰ, ১৯৯৪

গ্ৰন্থস্বত্ব ঃ গ্ৰন্থকাৰ

মূল্য ঃ ১৫.০০ টকা

মুদ্ৰক ঃ

প্ৰিয়ম প্ৰিণ্টাৰ্ছ

# উছৰ্গা

যাৰ ত্যাগ আৰু প্ৰেৰণাৰে মোক জীৱনত আগুৱাবলৈ সহায় কৰিছে, সেইদুজন শ্ৰদ্ধাৰ পিতৃ শ্ৰীগুনাৰাম নেওগ আৰু মাতৃ শ্ৰীলাৱণ্য নেওগৰ চৰণত মোৰ ক্ষুদ্ৰ পুথিখন উছৰ্গা কৰিলো।

—লেখিকা—

DR NAGEN SAIKIA
Professor & Head of Assamese
Dibrugarh University, Assam
Pin- 786004 Phone; 70240
Res: ASRAYA
Jeevan Phukan Nagar
Dibrugarh - 786003
Phone- 20796

## একাষাৰ

অধ্যাপিকা শ্ৰীমতী অণিমা নেওগে তেওঁৰ কেইটামান প্ৰবন্ধ গোটাই প্ৰস্তুত কৰা সাহিত্যৰ আভাষ'ৰ পাণ্ডুলিপিটোত চকু ফুৰাই দেখিলোঁ- ছাত্ৰ-ছাত্ৰী সকলৰ কামত অহাকৈ তেওঁ এই পুথিখনি যুগুতাইছে। যি সকলৰ উদ্দেশ্যে তেওঁৰ এই যত্ন, সেই সকল উপকৃত হ'লেই যত্ন সফল হ'ব বুলি ভবাৰ থল আছে। মাজুলীত থাকিও তেওঁ এনে এটি কামত হাত দিয়াৰ বাবে মই তেওঁক প্ৰশংসা কৰিছোঁ আৰু শুভেচ্ছা জনাইছোঁ। আশা কৰোঁ তেওঁ অসমীয়া ভাষা সাহিত্যৰ চৰ্চাত নিজকে ব্ৰতী কৰি ৰাখিব আৰু ক্ৰমান্বয়ে অধিক সুস্বাদু আৰু ভাল ফল পাঠক পাঠিকা সকলৰ হাতত তুলি দিব পাৰিব।

ইতি

নগেন শইকীয়া
১১ ছেপ্তেম্বৰ, ১৯৯৪
ডিব্ৰুগড়

# একাষাৰ

অনিমা নেওগৰ লেখা কেইটা ছপাশাললৈ যোৱাৰ আগতে চকু ফুৰাই চালো। খনচেৰেক পুথিৰ আলোচনা আৰু লগতে আধুনিক অসমীয়া কবিতা আৰু শংকৰদেৱৰ ধৰ্ম দৰ্শনৰ ওপৰত আলোকপাত কৰা এই লেখা কেইটাৰ যোগেদি লেখিকাই একান্ত নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। প্ৰবন্ধ কেইটাত লেখিকা গৰাকীৰ আন্তৰিকতাৰ স্বাক্ষৰ আছে। লগতে মৌলিক চিন্তাৰো স্ফুৰণ ঘটা দেখা গৈছে। আচলতে কোনো গ্ৰন্থ অথবা যি কোনো বিষয়ত প্ৰবন্ধ লেখিবলৈ হ'লে বিষয় জ্ঞান স্বচ্ছ হোৱা বাঞ্চনীয়। অনিমা নেওগে যি কেইটা ৰিষয়ত নিবন্ধ কেইটা যুগুতাই উলিয়াইছে, সেই বিষয় কেইটা অন্ততঃ পঢ়িশুনি, জানি-বুজি লৈছে। এইটো শুভ লক্ষণ।

প্ৰবন্ধ লেখিবৰ বাবে বিস্তৃত অধ্যয়ন আৰু প্ৰণালীবদ্ধ চিন্তাৰ অনুশীলন লাগে। আশা কৰিছোঁ অনিমাই বিস্তৃত অধ্যয়ন আৰু প্ৰণালী বদ্ধ চিন্তাৰে প্ৰবন্ধ লেখাৰ অনুশীলনটো অব্যাহত ৰাখিব। অনুশীলনে লেখক-লেখিকাক পৰিপক্কতাৰ ফালে আগুৱাই নিয়ে। এনে নিৰন্তৰ অনুশীলন কৰি থকাটো আশা কৰিলো।

সম্প্ৰতি যি কেইটা প্ৰবন্ধৰে পুথিখনি প্ৰকাশ কৰিবলৈ লৈছে তাৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা জনালো।

ডিব্ৰুগড় বিশ্ববিদ্যালয়,
অসমীয়া বিভাগ।

প্ৰসাদ কুমাৰ বৰুৱা।

১১ চেপ্তেম্বৰ, ১৯৯৪ চন।

# মোৰ ক'বলগীয়া একাষাৰ

প্ৰৱন্ধ লিখাটো সহজ কথা নহয়। প্ৰৱন্ধ লিখিবৰ বাবে বিস্তৃত অধ্যয়ন তথা অনুশীলনৰ প্ৰয়োজন। তথাপিও মই মোৰ সীমিত জ্ঞানৰদ্বাৰা নিজস্ব চিন্তাধাৰাৰে কেইটামান প্ৰৱন্ধ যুগুত কৰি উলিয়াইছো। প্ৰৱন্ধকেইটি মোৰ নিজস্ব চিন্তাধাৰাৰ ফল; কিন্তু অজানিত ভাৱে যদি কাৰোবাৰ প্ৰভাৱ আহি পৰিছে, মই নাজানো, সেয়ে সদাশয় পাঠক সকললৈ মোৰ অনুৰোধ প্ৰথম প্ৰচেষ্টা হিচাপে যুগুত কৰা মোৰ গ্ৰন্থখনত থকা যোৱা ভুলবিলাক দেখুৱাই দিলে মই উপকৃত হ'ম। পাঠক সমাজে আদৰি ল'লে মোৰ কষ্ট সফল হৈছে বুলি ভাৱিব পাৰিম।

প্ৰৱন্ধ লিখাৰ বাবে উৎসাহ যোগাওঁতা জ্ঞাত অজ্ঞাত সকলো ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। পাণ্ডুলিপিটো চাই মেলি সকলো দিহা পৰামৰ্শৰ লগতে পাতনি লেখি মোক উৎসাহিত কৰা শ্ৰদ্ধাৰ চাৰ ডঃ নগেন শইকীয়া আৰু ডঃ প্ৰহ্লাদ কুমাৰ বৰুৱালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। মোৰ লিখাৰ প্ৰতি ক্ষেত্ৰতে অৱদান আগবঢ়োৱা মোৰ ঘৰখনৰ সকলো ব্যক্তিলৈ মোৰ ৰবীয়া শুভেচ্ছা জ্ঞাপন কৰিছো। সদৌ শেষত প্ৰকাশ কৰিবৰ বাবে আগবাঢ়ি অহা প্ৰিয়ম প্ৰিণ্টাৰ্ছৰ প্ৰকাশক তথা সমূহ কৰ্মচাৰীলৈ আন্তৰিক কৃতজ্ঞতা জনাই মোৰ ক'বলগীয়া একাষাৰ সামৰিলো।

অনিমা নেওগ।

মাজুলী মহাবিদ্যালয়, কমলাবাৰী।
১৩ চেপ্তেম্বৰ ,১৯৯৪ চন।

---

# —বিষয় সূচী—

## প্ৰবন্ধ ঃ

১। পিয়লি ফুকন নাটকৰ এটি আলোচনা।

২। বলিছলনৰ এটি আভাস।

৩। অতুল চন্দ্ৰ হাজৰিকাৰ “নৰকাসুৰ”।

৪। ভুকুতি মুকুতিৰ শ্ৰেষ্ঠ নিদৰ্শন দামোদৰ বিপ্ৰ উপাখ্যান।

৫। ক্ৰমবিৱৰ্তনত অসমীয়া কবিতাৰ ধাৰা।

৬। শংকৰদেৱৰ ধৰ্মীয় দৰ্শনত আলোকপাত।

৭। কীৰ্ত্তনৰ অজামিল উপাখ্যান।

৮। বিংশ শতিকাৰ অসমীয়া প্ৰেমৰ কবিতাত
‘সাগৰ দেখিছা’।